**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 15-**05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ, নেডাৰলেণ্ডছ, নৰ্ৱে আৰু ইটালীৰ ছদিনীয়া ভ্ৰমণসূচীৰে আজি স্বদেশৰ পৰা ৰাওনা হ'ব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° জয়শংকৰে শান্তি আৰু সুৰক্ষা বিশ্ব শৃংখলাৰ কেন্দ্ৰবিন্দু হৈ আছে বুলি প্ৰকাশ কৰিছে।

৩। **নীটৰ** প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি সন্ধিয়া কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ বাসগৃহত উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

৪। উত্তৰ প্ৰদেশত যোৱা ৩৬ ঘণ্টাত ধুমুহা-বৰষুণ আৰু বজ্ৰপাতৰ ফলত কমেও ১১১ জন লোকে প্ৰাণ হেৰুৱায়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ, নেডাৰলেণ্ডছ, নৰ্ৱে আৰু ইটালীৰ ছদিনীয়া ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব। ৫ খন দেশৰ এই ভ্ৰমণৰ প্ৰথম পৰ্য্যায়ত আজি সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়দ অল নাহ্য়ানক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই বিভিন্ন দ্বিপাক্ষিক বিষয় বিশেষকৈ শক্তি সহোগিতা, পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়লৈ মত বিনিময় কৰিব। তেওঁলোকে লগতে শক্তিশালী ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু জনসম্পৰ্কত বিশেষ গুৰুত্ব আৰোপেৰে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সৰ্বাত্মক কৌশলগত সহযোগিতাক আগুৱাই নিয়াৰ বিভিন্ন উপায় সম্পৰ্কেও আলোচনা কৰিব। নেতা দুগৰাকীৰ মাজৰ আলোচনাত শক্তি-সুৰক্ষাৰ বিষয়টোৱে আগস্থান লাভ কৰাৰ সম্ভাৱনা আছে।

প্ৰধানমন্ত্ৰী ভ্ৰমণৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পাশ্চাত্যৰ দেশসমূহৰ বাবে থকা অতিৰিক্ত সচিব অসীম মাহাজনে কয়, যে শক্তি দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। তেওঁ কয়, যে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ যোৱা বছৰ ভাৰতৰ বাবে খাৰুৱা তেলৰ চতুৰ্থ সৰ্ববৃহৎ উৎস আছিল আৰু দেশখনৰ পৰা আমদানি কৰা তেলেৰে দেশৰ প্ৰায় ১১ শতাংশ আৱশ্যকতা পূৰণ হৈছিল। তেওঁ লগতে ভাৰতীয় কোম্পানীসমূহে আবুধাবি নেচনেল অয়েল কোম্পানী গেছৰ সৈতে বছৰি প্ৰায় ৪৫ লাখ মেট্ৰিকটন তৰলিকৃত প্ৰাকৃতিক গেছ, এল এন জিৰ দীৰ্ঘকালীন চুক্তিত স্বাক্ষৰ কৰিছে। দেশক প্ৰয়োজন হোৱা এল পি জিৰ প্ৰায় ৪০ শতাংশ সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ পৰা আমদানি কৰা হয়। ভাৰতীয় কোম্পানীসমূহে দেশখনৰ তেল কোম্পানীসমূহত যথেষ্ট ধন বিনিয়োগ কৰিছে আৰু ইয়াৰ পৰা উভয় দেশৰ মাজৰ বৰ্ধিত শক্তি সহযোগিতা প্ৰতিফলিত হৈছে। প্ৰধানমন্ত্ৰীৰ সংযুক্ত আৰব

আমিৰী ৰাষ্ট্ৰৰ অষ্টম ভ্ৰমণ সন্দৰ্ভত দেশখনত থকা ভাৰতীয় ৰাষ্ট্ৰদূত দীপক মিট্টলে কালি কয়, যে অঞ্চলটো অভূতপূৰ্ব উন্নয়ন আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সময়ত কৰা শ্ৰী মোদীৰ এই ভ্ৰমণ বিশেষ তাৎপৰ্যপূৰ্ণ হৈ উঠিছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়ো দেশৰ মাজত শক্তি সুৰক্ষা, বিনিয়োগ, নিত্য নতুন প্ৰযুক্তি আৰু ৰাজনৈতিক সহযোগিতা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০

ভাৰতৰ অধ্যক্ষতাত ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীয়ে এই বছৰ বহুত্ববাদৰ সুদৃঢ়কৰণ, বহনক্ষম উন্নয়নৰ প্ৰসাৰ, অৰ্থনৈতিক স্থিতিস্থাপকতা বৃদ্ধি আৰু অধিক সৰ্বাত্মক বিশ্ব শৃংখলা নিৰ্মাণৰ বাবে একেলগে কাম কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীসমূহৰ বিদেশ মন্ত্ৰী আৰু প্ৰতিনিধিমণ্ডলৰ মুৰব্বীসকলৰ সৈতে কালি নতুন দিল্লীত হোৱা কথোপকথনত প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠী উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধি আৰু গ্লোবেল ছাউথ হিচাপে পৰিচিত উন্নয়ন আৰু অৰ্থনৈতিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ আকাংক্ষা পূৰণৰ গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বে ব্ৰিকছ ৰাষ্ট্ৰসমূহ বিদেশমন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ জয়শংকৰে কয়, যে শান্তি আৰু সুৰক্ষা বিশ্ব শৃংখলাৰ কেন্দ্ৰবিন্দু হৈ আছে। তেওঁ কয়, যে শেহতীয়া সংঘৰ্ষৰ ফলত আলোচনা আৰু কূটনীতিৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। জটিলতা আৰু অনিশ্চয়তাৰে ভৰা বৰ্তমানৰ বিশ্বত আলোচনাৰ মাধ্যমেৰে সমতা আৰু উমৈহতীয়া অথচ ভিন ভিন দায়িত্বৰ আদৰ্শৰাজিক বৰ্তাই ৰাখি বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আগুৱাই নিয়া উচিত বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ডঃ জয়শংকৰে কয়, যে প্ৰযুক্তিগত উন্নয়নে গোলকীয় প্ৰেক্ষাপট সলনি কৰিছে আৰু সু-শাসন তথা সৰ্বাত্মক বিকাশৰ বাবে প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰা যায়। তেওঁ কয়, যে উমৈহতীয়া স্বাৰ্থৰ খাতিৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে সহযোগিতা সুদৃঢ় কৰাটো অত্যন্ত জৰুৰী।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে অংশগ্ৰহণকাৰী দেশসমূহক ধন্যবাদ জ্ঞাপন কৰে আৰু BRICS পৰিকাঠামোৰ অধীনত সহযোগিতা সুদৃঢ়কৰণৰ প্ৰতি প্ৰকাশ কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ শলাগ লয়। তেওঁ কয়, যে সকলো সহযোগী আৰু সদস্যৰাষ্ট্ৰই দ্বিপাক্ষিক তথা বহুপাক্ষিক আলোচনাৰ জৰিয়তে ঘনিষ্ঠ আৰু নিয়মীয়া যোগাযোগ ৰক্ষা কৰা উচিত। আজিৰ বৈঠকে অৱধাৰণাৰ বিনিময় আৰু বিভিন্ন বিষয়ত সহমত গঢ়ি তোলাৰ বাবে মঞ্চ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমান বিশ্বৰ বিভিন্ন অংশত চলি থকা সংঘৰ্ষ, অৰ্থনৈতিক অনিশ্চয়তা আৰু বাণিজ্য, প্ৰযুক্তি তথা পৰিৱেশ বিষয়ক প্ৰত্যাহ্বানে গোলকীয় প্ৰেক্ষাপট সলনি কৰিছে আৰু এনে পৰিস্থিতিত BRICS ৰাষ্ট্ৰসমূহে গঠনমূলক আৰু সুস্থিৰ ভূমিকা পালন কৰিব বুলি আশা বৃদ্ধি পাইছে। তেওঁ কয়, যে বিশ্বৰ কেইবাখনো দেশ শক্তি, খাদ্য, সাৰ আৰু স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যহ্বানৰ সন্মুখীন হৈছে আৰু BRICS ৰাষ্ট্ৰগোষ্ঠীয়ে তেওঁলোকক ইয়াৰ প্ৰতি ফলপ্ৰসূ সঁহাৰি জনোৱাত সহায় কৰিব পাৰে।

বৈঠকৰ দ্বিতীয় দিনা আজি "BRICS@20: স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতা গঢ়ি তোলা" বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে গোলকীয় প্ৰশাসন আৰু বহুত্ববাদী ব্যৱস্থাৰ সংস্কাৰ বিষয়ক আন এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, ব্ৰিকছৰ বিদেশ মন্ত্ৰীসকলে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮০ সংখ্যক অধিবেশনৰ আগেয়ে যোৱা বছৰৰ ২৬ ছেপ্টেম্বৰত বৈঠকত মিলিত হৈছিল। এই বৈঠকত ভাৰতে অধ্যক্ষতা কৰিছিল।

০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ যোগ্যতা নিৰূপনৰ পৰীক্ষা **নীটৰ** প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি সন্ধিয়া কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ বাসগৃহত উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত নীট সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত উচ্চশিক্ষা বিভাগৰ সচিব, বিদ্যালয় শিক্ষা বিভাগৰ সচিব, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান, চি বি এছ ইৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় বিদ্যালয় সংগঠন আৰু নৱোদয় বিদ্যালয়ৰ আয়ুক্তৰ লগতে অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০

উত্তৰ প্ৰদেশত যোৱা ৩৬ ঘণ্টাত ধুমুহা-বৰষুণ আৰু বজ্ৰপাতৰ ফলত কমেও ১১১ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ২০০ জন আহত হয়। প্ৰতি ঘণ্টাত প্ৰায় ১০০ কিলোমিটাৰ বেগেৰে বলা ধুমুহাৰ ফলত ৰাজ্যখনৰ বিভিন্ন অংশত বিস্তৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ধুমুহা-বৰষুণৰ বাবে ঠায়ে ঠায়ে খেতিও নষ্ট হৈছে। ধুমুহা-বৰষুণৰ ফলত প্ৰয়াগৰাজ, ভাদ'হি, মিৰ্জাপুৰ, ফটেহপুৰ আৰু বাৰানসীত সৰ্বাধিক ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে। মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে জিলাধিপতি আৰু সংশ্লিষ্ট বিষয়াসকলক ক্ষয়ক্ষতিৰ মূল্যায়ণৰ বাবে ঠাইতে গৈ জৰীপ চলাবলৈ নিৰ্দেশ দিছে। তেওঁ লগতে তিনি ঘণ্টাৰ মূৰে মূৰে ক্ষতিপূৰণৰ স্থিতিৰ বিষয়ে কৈছে।

অসমতো কিছু দিনৰ পৰা ছেগাচোৰোকাকৈ বৰষুণ হৈ আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে গুৱাহাটী মহানগৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন জিলাত দুই-তিনিদিনলৈ বিজুলী-ঢেৰেকনিৰে ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বৰষুণৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ঠাইত পানী জমা হোৱা আৰু ভূমিস্খলনৰ আশংকা কৰি জিলা কৰ্তৃপক্ষ তথা অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে তাৎক্ষণিক সঁহাৰি ব্যৱস্থা সাজু কৰি ৰাখিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটী মহানগৰীৰ  জনসাধাৰণক যাৱতীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৫ টা বলত চাৰিটা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিলক বাৰ্মাই ৩৩ টা বলত ৫৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ২০০ ৰান সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ প্ৰভছিমৰন সিঙে সৰ্বাধিক ৫৭ ৰান কৰে। তিলক বাৰ্মাক প্লেয়ৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়াৰ চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

মাকাঅ'ত অনুষ্ঠিত একাদশ চান্দা বিশ্বকাপ ৱুশু চেম্পিয়শ্বিপত ভাৰতৰ অপৰ্ণা দাহিয়াই ৫২ কিলোগ্ৰাম শাখাত সোণৰ পদক অৰ্জন কৰিছে। অপৰ্ণাই ফাইনেলত বিশ্ব চেম্পিয়ন ভিয়েটনামৰ থি ফুং এনগা এনগোক পোনপটীয়া ছেটত পৰাস্ত কৰে। ১২ মে'ৰ পৰা আৰম্ভ হোৱা প্ৰতিযোহিতাখনত এইয়া হৈছে ভাৰতৰ প্ৰথমটো পদক।

০০০০

ঃঃ সমাপ্ত ঃঃ